**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 11-07-2026
**Time :** 7:10 PM

ASSAMESE EVENING NSD BULLETIN

## HEADLINES

::::::::::::::::::

১। ভাৰতীয়মূলৰ লোকসকল ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ বৰ্ধিত অংশীদাৰিত্বৰ মূল স্তম্ভ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে।

২। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে কৈছে যে গণতন্ত্ৰত বিভিন্ন মতাবাদ থকাটো স্বাভাৱিক যদিও সংবিধান আৰু জনসাধাৰণৰ কল্যাণৰ প্ৰতি দায়বদ্ধতাক সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়া উচিত।

৩। গৃহমন্ত্ৰী অমিত শ্বাহে ব্যক্তিত্ব গঢ়াৰ ক্ষেত্ৰত গ্ৰন্থাগাৰৰ ভূমিকাত আলোকপাত কৰি নৱপ্ৰজন্মক গ্ৰন্থাগাৰৰ সৈতে সংযোজিত হ'বলৈ আহ্বান জনাইছে।

৪। ভিয়েটনামৰ ফু-কুৱ'ক দ্বীপত ভাৰতীয় পৰ্যটকক কঢ়িয়াই নিয়া এখন নাও দুৰ্ঘটনাত পতিত হৈ ১৫ জন লোকৰ মৃত্যু হয়। ***আৰু***

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ এখন কোৱাৰ্টাৰ ফাইনেলত আজি নিশা নৰৱে ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ভাৰতীয় সম্প্ৰদায়ৰ লোকসকল ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ বৰ্ধিত অংশীদাৰিত্বৰ মূল স্তম্ভ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে। অকলেণ্ডত এটা সমূহীয়া অনুষ্ঠানত ভাৰতীয় লোকসকলক উদ্দেশি দিয়া ভাষণত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে উভয় ৰাষ্ট্ৰৰ মাজৰ সম্পৰ্ক অতিজৰে পৰা চলি অহা বন্ধুত্ব, সাৰ্বজনীন মূল্যবোধ, উজ্বল ভৱিষ্যতৰ বাবে প্ৰতিশ্ৰুতিবদ্ধতাৰ জৰিয়তে গঢ় লৈ উঠিছে। শ্ৰীমোদীয়ে লগতে কয়, যে নতুনত্বৰ লক্ষ্যৰে চলা নিউজিলেণ্ডৰ পৰম্পৰাৰ সৈতে দুয়োখন দেশৰ মাজত একেধৰণৰ সুযোগ-সুবিধা বিদ্যমান আৰু তেওঁলোকৰ অংশীদাৰিত্বক এক বিশেষ শিখৰলৈ লৈ যোৱাৰ বাবে দুয়োখন ৰাষ্ট্ৰ প্ৰতিশ্ৰুতিবদ্ধ। অকলেণ্ডৰ পৰা ৱেলিংটনলৈ তথা ক্ৰিষ্ট চাৰ্চৰ পৰা কুইনছ্ টাউনলৈ বিয়পি থকা ভাৰতীয়মূলৰ লোকসকলে দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

প্ৰধানমন্ত্ৰীয়ে অনুষ্ঠানত উপস্থিত থকাৰ বাবে নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্ট'ফাৰ লাক্সন আৰু নিউজিলেণ্ড চৰকাৰৰ অন্যান্য সদস্যসকলক ধন্যবাদ জ্ঞাপন কৰে। তেওঁলোকৰ উপস্থিতিয়ে উভয় ৰাষ্ট্ৰৰ মাজৰ শক্তিশালী দ্বিপাক্ষিক সমৰ্থনকে প্ৰতিফলিত কৰে বুলিও শ্ৰীমোদীয়ে উল্লেখ কৰে। চাৰিটা দশকৰ পাছত এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীয়ে নিউজিলেণ্ড ভ্ৰমণ কৰি ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলক ১৪০ কোটি ভাৰতীয়ৰ হৈ শুভেচ্ছা জ্ঞাপন কৰা বুলিও শ্ৰীমোদীয়ে কয়। শ্ৰীমোদীৰ নেতৃত্বত আন্তঃৰাষ্ট্ৰীয় স্তৰত ভাৰতৰ বৰ্ধিত স্থিতি সম্পৰ্কে তথা নিউজিলেণ্ডৰ বিকাশত ভাৰতীয় সম্প্ৰদায়ৰ উল্লেখযোগ্য বৰঙণিৰ বিষয়ে প্ৰশংসা কৰাৰ লগে লগে নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰীগৰাকীক দৰ্শকসকলে উষ্ম সম্ভাষণ জনায়। তেওঁ ভাৰতক প্ৰধান অংশীদাৰ হিচাপে বৰ্ণনা কৰাৰ লগতে দ্বিপাক্ষিক সম্পৰ্কক নতুন উচ্চতা প্ৰদান কৰাৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ

কথাও দোহাৰে। ভাৰতীয় সম্প্ৰদায়ৰ ১০ হাজাৰতকৈ অধিক সদস্যই এই অনুষ্ঠানত অংশগ্ৰহণ কৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ঐহিতাসিক নিউজিলেণ্ড ভ্ৰমণ সামৰি স্বদেশলৈ ৰাওনা হৈছে। চাৰিটা দশকৰ বিৰতিৰ মূৰত প্ৰথমগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ নিউজিলেণ্ড ভ্ৰমণে দ্বিপাক্ষিক সম্পৰ্ক গুৰুত্বপূৰ্ণ অগ্ৰগতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে। ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী মোদীয়ে নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্ট'ফাৰ লাক্সনৰ সৈতে আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই পৰ্যটন, প্ৰতিৰক্ষা, ক্ৰীড়া, দুৰ্যোগ ব্যৱস্থা, দুগ্ধ আৰু পশুপালন খণ্ডসহ অন্যান্য খণ্ড সামৰি ৫ খন বুজাবুজিৰ চুক্তিত উপনীত হয়।

স্বদেশলৈ ৰাওনা হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে অকলেণ্ডৰ স্পাৰ্ক এৰেনাত ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলে আয়োজন কৰা এটা অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে কয়, যে গণতন্ত্ৰত বিভিন্ন মতবাদ স্বাভাৱিক কিন্তু সংবিধান আৰু জনসাধাৰণৰ কল্যাণৰ প্ৰতি দায়বদ্ধতাক সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়া উচিত। গয়াত থকা বিহাৰ ৰাজহুৱা প্ৰশাসন আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানত দুদিনীয়া কাৰ্যসূচীৰে ১৮ সংখ্যক বিহাৰ বিধানসভাৰ সদস্যসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী মুকলি কৰি তেওঁ এই কথা প্ৰকাশ কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে এনেধৰণৰ কাৰ্যসূচীয়ে গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহক সবল কৰাৰ লগতে ৰাজহুৱা প্ৰশাসকসকলক সাংবিধানিক দায়ত্বসমূহ কাৰ্যক্ষমভাৱে ৰূপায়ণ কৰিবলৈ সমৃদ্ধ কৰি তোলে। ভাৰতৰ গণতান্ত্ৰিক যাত্ৰাত বিহাৰক পথ পদৰ্শক বুলি উল্লেখ কৰি তেওঁ প্ৰশাসকসকলক এই গৌৰৱৰ যাত্ৰা অক্ষুণ্ণ ৰাখিবলৈ আহ্বান জনায়। তেওঁ বিহাৰক উন্নত আৰু নিয়োগ সৃষ্টি কৰা ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ তেওঁলোকৰ প্ৰতি আহ্বান জনায়, যাতে আন ৰাজ্যৰ কৰ্মীসকল বিহাৰৰ প্ৰতি আকৰ্ষিত হয়। বিধানসভাৰ প্ৰশ্নোত্তৰ কাল, শূন্যকাল আৰু কাৰ্যকৰী সমিতিৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি তেওঁ বিধানসভাৰ কাম-কাজ অৰ্থপূৰ্ণ আৰু নিয়াৰিকৈ চলাই নিয়াটো সুনিশ্চিত কৰিবলৈ সদস্যসকলৰ প্ৰতি আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই কয়, যে বিশ্ব জনসংখ্যা দিৱসে স্বেচ্ছামূলক পৰিয়াল পৰিকল্পনা, স্বাস্থ্যৱান পৰিয়ালৰ অন্তৰ্ভুক্তি আৰু বহনক্ষম বিকাশৰ ভেটি হিচাপে গুৰুত্ব আৰোপ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীনাড্ডাই কয়, যে সন্তানৰ মাজত যদি সঠিক অন্তৰাল থাকে তেতিয়া পৰিয়ালসমূহ সুস্থ আৰু সুখী হৈ পৰে। তেওঁ গুণগত স্বাস্থ্যসেৱা নিশ্চিত কৰা, এখন সুস্থ, শক্তিশালী আৰু সমৃদ্ধিশালী ভাৰত গঢ়ি তোলাৰ বাবে সকলোৰে প্ৰতি আহ্বান জনায়। প্ৰতিবছৰে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে বিশ্ব জনসংখ্যা দিৱসৰ লগত সংগতি ৰাখি বিশেষ অভিযান চলাই আহিছে।

০০০০০

ভিয়েটনামৰ ফু-কুৱ'ক দ্বীপত কেইবাগৰাকীও ভাৰতীয় পৰ্যটকক কঢ়িয়াই নিয়া এখন নাও দুৰ্ঘটনাত পতিত হোৱাৰ ফলত ১৫ জন লোকৰ মৃত্যু হয়। ২১ জন লোকক উদ্ধাৰ কৰা হৈছে বুলি হানয়ত থকা ভাৰতীয় দূতাবাসে প্ৰকাশ কৰিছে। নাওখনত ৩২ জন ভাৰতীয় পৰ্যটকৰ লগতে ৪ জন চালক আছিল। হ'ন মে ৰুট নাগই দ্বীপৰ পৰা প্ৰায় ৪০০ মিটাৰ দূৰত্বত নাওখন লুটি খাই যোৱাৰ ফলত শোকাৱহ দুৰ্ঘটনাটো সংঘটিত হয়।

হু চি মিন মহানগৰত ঘটনা সম্পৰ্কে তথ্য আৰু ভুক্তভোগী লোকৰ পৰিয়ালবৰ্গক সকলো ধৰণৰ সাহায্য আগবঢ়োৱাৰ বাবে এটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা হেল্পলাইন নম্বৰকেইটা হৈছে +84-362817930, +84-915523714 আৰু +84-334520414।

০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভিয়েটনামৰ ফু-কুৱ'ক দ্বীপত সংঘটিত নাও দুৰ্ঘটনাত মৃত্যু হোৱা লোকসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰিছে। এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। এই শোকাৱহ দুৰ্ঘটনাৰ ভুক্তভোগী পৰিয়ালবৰ্গক সাহস আৰু শক্তিৰে এই কঠিন সময়ৰ সন্মুখীন হ'বলৈ তেওঁ প্ৰাৰ্থনা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে এই দুৰ্ঘটনাত নিজৰ আত্মীয়ক হেৰুওৱা পৰিয়ালসমূহৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ ক্ষীপ্ৰ আৰোগ্য কামনা  কৰে। ভিয়েটনামত থকা ভাৰতীয় দূতাবাসে দেশখনৰ প্ৰশাসনৰ সৈতে একেলগে ভুক্তভোগী সকলক সাহায্য আগবঢ়াবলৈ ঘনিষ্ঠভাৱে কাম কৰি আছে বুলি প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে যিকোনো ব্যক্তিৰ ব্যক্তিত্ব গঢ়াৰ ক্ষেত্ৰত গ্ৰন্থাগাৰৰ ভূমিকাত আলোকপাত কৰি নৱ প্ৰজন্মক গ্ৰন্থাগাৰৰ সৈতে সংযোগ স্থাপনৰ বাবে আহ্বান জনাইছে। নতুন দিল্লীত আজি জয়প্ৰকাশ নাৰায়ণ ৰাজহুৱা গ্ৰন্থাগাৰ উদ্বোধন কৰি শ্ৰীশ্বাহে কয় যে লোকনায়ক জয়প্ৰকাশ নাৰায়ণ হৈছে এগৰাকী মহান স্বাধীনতা সংগ্ৰামী, চিন্তাবিদ, আৰু জাতীয় নেতা যিয়ে দেশৰ বাবে উল্লেখযোগ্য অৱদান আগবঢ়াই থৈ গৈছে। দেশ আৰু ইয়াৰ জনসাধাৰণক বুজাৰ বাবে অধ্যয়ন অতি প্ৰয়োজনীয় বুলি তেওঁ উল্লেখ কৰে। ৰাষ্ট্ৰ নিৰ্মাণত পুথিভঁৰালসমূহৰ ভূমিকাত আলোকপাত কৰি গৃহমন্ত্ৰীগৰাকীয়ে কয় যে আধুনিক শিক্ষাৰ সমান্তৰালকৈ জনসাধাৰণৰ মাজত দেশৰ সংস্কৃতি আৰু জ্ঞান বিয়পোৱাৰ ক্ষেত্ৰত গ্ৰন্থাগাৰ হৈছে এটা শক্তিশালী মাধ্যম।

শ্ৰীশ্বাহে কয়, যে ৰাষ্ট্ৰ নিৰ্মাণত অৰিহণা যোগোৱা আৰু দেশলৈ গৌৰৱ কঢ়িয়াই অনা সকলো কামেই জ্ঞানৰ সৈতে সম্পৰ্কিত আৰু গ্ৰন্থাগাৰসমূহ এনে জ্ঞানৰ অতি প্ৰয়োজনীয় উৎস। চৰকাৰে ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ প্ৰতি উৎসাহিত কৰিবলৈ গ্ৰন্থাগাৰসমূহক বিদ্যালয়ৰ সৈতে সংযোগ কৰাৰ প্ৰচেষ্টা চলাইছে বুলি উল্লেখ কৰি তেওঁ কয় যে গান্ধীনগৰ লোকসভা সমষ্টিত প্ৰতিখন গাঁৱতে গ্ৰন্থাগাৰ মুকলি কৰা হৈছে আৰু প্ৰতিটো গ্ৰন্থাগাৰতে ৩ পৰা ৪ হাজাৰ গ্ৰন্থ আছে। শ্ৰীশ্বাহে লগতে এই গ্ৰন্থাগাৰসমূহক এটা কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ সৈতে সংযোজিত কৰা হয় আৰু ইয়াত এক লাখ ২৫ হাজাৰতকৈও অধিক গ্ৰন্থ সংগৃহীত হৈ আছে বুলি উল্লেখ কৰে। শ্ৰীশ্বাহে দিল্লী চৰকাৰক মহানগৰখনৰ সকলো গ্ৰন্থাগাৰকে আন্তঃসংযোজিত কৰাৰ লগতে ইয়াক বিদ্যালয়সমূহৰ সৈতে সংযুক্ত কৰাৰ বাবে এটা সৰ্বাত্মক পৰিকল্পনা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০০

ভাৰতৰ সবাতোকৈ পুৰণি ফুটবল প্ৰতিযোগিতা ডুৰাণ্ড কাপৰ ১৩৫ সংখ্যক সংস্কৰণৰ অংশ হিচাপে আজি শ্বিলঙত ট্ৰফী প্ৰদৰ্শন কৰা হয়। এই প্ৰতিযোগিতা অহা ৩১ জুলাইত আৰম্ভ হ'ব। ২৩ আগষ্টত ফাইনেল খেল অনুষ্ঠিত হ'ব। ৩১ জুলাইৰ পৰা ২০ আগষ্টলৈ শ্বিলঙৰ বিভিন্ন স্থানত ৬ খন লীগ পৰ্যায়ৰ খেলৰ লগতে এখন কোৱাৰ্টাৰ ফাইনেল আৰু এখন ছেমি ফাইনেলসহ ৮ খন খেল অনুষ্ঠিত হ'ব। তিনিটা

ফুটবল ক্লাব শ্বিলং লাজং এফ চি, নংছেহ স্পৰ্টছ্ এণ্ড কালচাৰেল ক্লাব আৰু লেংছ্নিং ক্লাবে মেঘালয়ক প্ৰতিনিধিত্ব কৰিব।

০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ এখন কোৱাৰ্টাৰ ফাইনেলত  আজি নিশা নৰৱে ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মায়ামী ষ্টেডিয়ামত  খেলখন ভাৰতীয় সময় অনুসৰি নিশা আঢ়ৈ বজাত আৰম্ভ হ'ব। ইপিনে ভাৰতীয় সময় অনুসৰি কাইলৈ পুৱা চাৰে ৬ বজাত হ'বলগীয়া আন এখন কোৱাৰ্টাৰ ফাইনেলত যোৱাবাৰৰ চেম্পিয়ন আৰ্জেণ্টিনা ছুইজাৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

স্পেইন আৰু ফ্ৰান্স ইতিমধ্যে প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। স্পেইনে যোৱানিশা বেলজিয়ামক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰাৰ লগতে ফ্ৰান্সে মৰক্কোক ২-০ গ'লত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে।

০০০০০

সমাপ্ত